**Signature and Name of Invigilator**

1. (Signature) ______________________

   (Name) ______________________

2. (Signature) ______________________

   (Name) ______________________

**OMR Sheet No. :** ..........................................................
(To be filled by the Candidate)

**Roll No.** | | | | | | | | |
(In figures as per admission card)

**Roll No.** ______________________
(In words)

**D 3 6 1 5**

# PAPER - III
# ASSAMESE

**Time : 2½ hours]** **[Maximum Marks : 150**

Number of Pages in this Booklet : **24** Number of Questions in this Booklet : **75**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of seventy five multiple choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered on the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (1), (2), (3) and (4). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** ① ② ● ④ where (3) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark your response at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are however, allowed to carry original question booklet and duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There are no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न पत्र में पचहत्तर बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न पुस्तिका खोलने के लिए पुस्तिका पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न पुस्तिका का नंबर OMR पत्रक पर अंकित करें और OMR पत्रक का नंबर इस प्रश्न पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (1), (2), (3) तथा (4) दिये गये हैं। आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।
   **उदाहरण :** ① ② ● ④ जबकि (3) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं। यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते हैं, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं।
9. आपको परीक्षा समाप्त होने पर मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें। हालांकि आप परीक्षा समाप्ति पर मूल प्रश्न पुस्तिका तथा OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं।**



www.examrace.com

# ASSAMESE

## অসমীয়া

## Paper – III

## প্ৰশ্নকাকত – III

**Note :** This paper contains **seventy five (75)** objective type questions, each question carrying **two (2)** marks. Attempt **all** of them.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **পয়সত্তৰ (75)** টা প্ৰশ্ন আছে। প্ৰতিটো পশ্নৰ মূল্যাঙ্ক **দুই (2)**। **সকলো** প্ৰশ্নৰ উত্তৰ কৰিবাঁ।

1. ৰামাই পন্ডিত্যৰ 'শূন্যপুৰাণ'ৰ সম্পাদকৰ লগত জড়িত ব্যক্তিজন :

(1) সুনীতি কুমাৰ চট্টোপাধ্যায় (2) সুকুমাৰ সেন

(3) যোগেশ চন্দ্ৰ বিদ্যানিধি (4) নগেন্দ্ৰ নাথ বসু

2. দুয়ো কথা শুনিবাৰ মোৰ মনে লাগে।

তথাপিতো ৰাম কথা কহিয়োক আগে।।

উক্ত পংক্তিটি তলৰ কোনখন গ্ৰন্থৰ অন্তৰ্গত?

(1) তাম্ৰধ্বজৰ যুদ্ধ (2) বভ্ৰুবাহনৰ যুদ্ধ (3) লৱকুশৰ যুদ্ধ (4) অশ্বকৰ্ণ বধ

3. ''জয় জয় মল্ল নৃপতি ৰসজান''

ভটিমাটি কোন প্ৰকাৰৰ ভটিমাৰ উদাহৰণ?

(1) দেৱ ভটিমা (2) ৰাজ ভটিমা (3) গুৰু ভটিমা (4) নাটকীয় ভটিমা

4. তলৰ কোনগৰাকী পাঁচালী কবিয়ে ভাগৱত পুৰাণ অনুবাদ কৰিছিল?

(1) মনকৰ (2) দুৰ্গাবৰ (3) পীতাম্বৰ (4) সুকবি নাৰায়ণদেৱ

5. 'শত্ৰুঞ্জয় কাব্য'খন কাৰ ৰচনা?

(1) কবিৰাজ চক্ৰৱৰ্তী (2) বিদ্যাচন্দ্ৰ কবিশেখৰ (3) শুভঙ্কৰ দ্বিজ (4) ৰঘুনাথ মহন্ত

6. তলৰ কোনখন চৰিত পুথি লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদিত 'বাঁহী'ত প্ৰকাশ পাইছিল?

(1) বৰদোৱা-গুৰুচৰিত (2) গুৰুচৰিত কথা (3) গুৰুচৰিত (4) শঙ্কৰ চৰিত



www.examrace.com

7. ভাতে ৰান্ধি দিয়া খাওঁ মই বুঢ়ি আই

পানী আনি দিয়া খাওঁ,

লগৰ সমনীয়া যায় মহঙ বেহাবলৈ

ময়ো বেহাবলৈ যাওঁ।

উদ্ধৃত স্তৱকটি কোনটি মালিতাৰ অন্তৰ্ভূক্ত?

(1) বৰফুকনৰ গীত (2) নাহৰৰ গীত (3) চিকন সৰিয়হৰ গীত (4) ফুলকোঁৱৰৰ গীত

8. এতিয়াও পুৱাৰ কিৰণে

বাঁহনিৰ মাজে সুৰুঙাই,

জালিকটা ৰিহাৰ আঁচল

চোতালত পাৰিথৈ যায়।

-এই স্তৱকটি কোনটি কবিতাৰ অন্তৰ্ভূক্ত?

(1) শৈলধৰ ৰাজখোৱাৰ 'বিৰোহিণী'

(2) পদ্মধৰ চলিহাৰ 'অসম-গৌৰৱ'

(3) নলিনীবালা দেৱীৰ 'পৰম তৃষ্ণা'

(4) যতীন্দ্ৰনাথ দুৱৰাৰ 'নাৱৰীয়া যায় ভটিয়াই'

9. তলৰ কোনখন আলোচনী বিৰিঞ্চি কুমাৰ বৰুৱাই সম্পাদনা কৰিছিল?

(1) মইনা (2) ৰংঘৰ (3) ল'ৰাবন্ধু (4) অৰুণ

10. ভবানন্দ দত্তই কোনখন আলোচনীৰ যোগেদি আত্মপ্ৰকাশ কৰিছিল?

(1) জয়ন্তী (2) পছোৱা (3) বাঁহী (4) অভিযান

11. 'চামাদি' কোন জনগোষ্ঠীৰ ডেকাচাঙৰ নাম?

(1) কাৰ্বি (2) ডিমাচা (3) তিৱা (4) মিচিং

12. দ-পৰ্বতীয়া শৈল মন্দিৰ ভাস্কৰ্যৰ নিদৰ্শন পোৱা যায় :

(1) নুমলীগড় (2) শদিয়া (3) তেজপুৰ (4) দৰং



www.examrace.com

13. তলৰ কোনটি পূজা তাই আহোমসকলৰ দ্বাৰা পৰম্পৰাগতভাৱে পালিত হৈ আহিছে?

(1) ফুৰালুং পূজা (2) হুদুমদেউৰ পূজা (3) গাৰজা পূজা (4) মংলা পূজা

14. ''কেশ তৰংগায়িত বা বক্ৰ। দাড়ি-গোঁফ বৰ ঘন। শৰীৰতো নোমৰ প্ৰাচুৰ্য্য দেখা যায়। মস্তক দীৰ্ঘ। ললাট এতলীয়া। ভ্ৰূ আবৃত। অস্থি বৰ মোটা আৰু স্পষ্ট। নাসিকা বৰ প্ৰশস্ত।''

-এই আৱয়বিক লক্ষণ কোন নৃপ্ৰজাতিৰ বৈশিষ্ট্য?

(1) অষ্ট্ৰেলীয় (2) মঙ্গোলীয় (3) নেগ্ৰিটো (4) ককেছিয়

15. সম্পূৰ্ণ অসমীয়া আখৰৰ নিদৰ্শন পোৱা শিলালিপিখন হৈছে :

(1) নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰ খণ্ড লিপি (2) উমাচল শিলালিপি

(3) ডুবি তাম্ৰশাসন (4) কানাই বৰশীবোৱা শিলালিপি

16. ''ছন্দযতিতকৈ ভাবযতিৰ প্ৰাধান্য বেছি, তথাপি তাৰ পৰ্ববন্ধ চূড়ান্ত বিশ্লেষণত ধ্বনিৰূপৰ নিয়মৰ দ্বাৰাই নিয়ন্ত্ৰিত। পৰ্ববন্ধৰ দৈৰ্ঘ্যই কেতিয়াও আঠ মাত্ৰাৰ ঘেৰটো নেওচি নাযায়। ধ্বনিব্যষ্টি স্থিৰনিৰ্দিষ্ট ৰূপৰ।''

-এই বৈশিষ্ট্য কোন ছন্দৰ বৈশিষ্ট্য?

(1) মুক্তক (2) অমিতাক্ষৰ (3) স্পন্দিত গদ্য (4) পয়াৰ

17. (-এৰা, -এৰ, -এক) অসমীয়া ভাষাৰ এই ৰূপবোৰ ব্যাকৰণগতভাৱে কোন শ্ৰেণী ৰূপৰ অন্তৰ্গত?

(1) নিৰ্দিষ্টতাবাচক প্ৰত্যয় (2) পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয়

(3) অনিৰ্দিষ্টতাবাচক প্ৰত্যয় (4) পুৰুষসূচক বিভক্তি

18. লিওনাৰ্ড ব্লুমফিল্ডে লিখা এখন গ্ৰন্থৰ নাম :

(1) Language and its Nature (2) A course in modern linguistics

(3) Descriptive Linguistics (4) Language

19. ইন্দিৰা মিৰিৰ জীৱন আধাৰিত উপন্যাসখন হৈছে :

(1) অভিযাত্ৰী (2) মেৰেং (3) দেওলাংখুই (4) উল্কাৰ পোহৰ

20. 'শিয়ালী পালেগৈ ৰতনপুৰ'ৰ ৰচক :

(1) ডিম্বেশ্বৰ চলিহা (2) নিৰ্মলপ্ৰভা বৰদলৈ (3) গগন চন্দ্ৰ অধিকাৰী (4) নৰকান্ত বৰুৱা



www.examrace.com

**তলৰ 21 ৰ পৰা 30 লৈ প্ৰতিটো প্ৰশ্নৰ লগত চাৰিটাকৈ প্ৰসঙ্গ দিয়া আছে আৰু উত্তৰ স্বৰূপে সেই প্ৰসঙ্গসমূহৰ পৰা চাৰিটা বিকল্প (1), (2), (3), (4) দিয়া আছে। শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :**

**21.** তলৰ কোন দুখন আলোচনী ৰঘুনাথ চৌধুৰীয়ে সম্পাদনা কৰা?

(a) সুৰভি (b) পছোৱা (c) জয়ন্তী (d) মণিদীপ

(1) (b) আৰু (c) (2) (a) আৰু (b)

(3) (a) আৰু (d) (4) (a) আৰু (c)

**22.** বিৰিঞ্চি কুমাৰ বৰুৱাৰ সংস্কৃতি সম্পৰ্কীয় দুখন গ্ৰন্থ :

(a) অসমৰ সংস্কৃতি (b) অসমৰ লোক-সংস্কৃতিৰ আভাস

(c) অসমৰ লোক-সংস্কৃতি (d) অসমীয়া ভাষা আৰু সংস্কৃতি

(1) (a) আৰু (d) (2) (b) আৰু (c)

(3) (a) আৰু (c) (4) (c) আৰু (d)

**23.** তলৰ কোন দুখন মাধৱদেৱৰ ৰচনা?

(a) ভক্তিপ্ৰদীপ (b) ৰাজসূয় কাব্য

(c) ভক্তি ৰত্নাকৰ (d) ভক্তি ৰত্নাৱলী

(1) (b) আৰু (d) (2) (a) আৰু (d)

(3) (b) আৰু (c) (4) (a) আৰু (c)

**24.** 'জোনাকী'ৰ দুজন সম্পাদক :

(a) সত্যনাথ বৰা (b) কৃষ্ণপ্ৰসাদ দুৱৰা

(c) চন্দ্ৰকুমাৰ গুপ্ত (d) পদ্মনাথ গোহাঞি বৰুৱা

(1) (a) আৰু (d) (2) (b) আৰু (d)

(3) (a) আৰু (c) (4) (b) আৰু (c)

**25.** মৃতকৰ শ্ৰাদ্ধ অনুষ্ঠানৰ লগত জড়িত দুটা উৎসৱ :

(a) পয় চাংকেন (b) ফাৰকান্তি (c) চপংয়ং মানাও পউ (d) চমাংকান

(1) (a) আৰু (c) (2) (b) আৰু (c)

(3) (c) আৰু (d) (4) (b) আৰু (d)



www.examrace.com

**26.** সাধাৰণ ভাষাবিজ্ঞান সম্পৰ্কীয় দুখন পুথি :

(a) অসমীয়া বৰ্ণপ্ৰকাশ (b) আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়

(c) ভাষাৰ্থ বিজ্ঞান (d) অসমীয়া ভাষাৰ ৰূপতত্ত্ব

(1) (a) আৰু (b) (2) (b) আৰু (c)

(3) (a) আৰু (d) (4) (c) আৰু (d)

**27.** দুটা প্ৰতি-ধ্বন্যাত্মক শব্দ :

(a) কাজিয়া-পেচাল (b) থুনুক-থানাক (c) কপৌ-জপৌ (d) কাবৌ-কোকালি

(1) (b) আৰু (c) (2) (a) আৰু (b)

(3) (a) আৰু (d) (4) (a) আৰু (c)

**28.** অজিৎ বৰুৱাৰ দুখন কবিতা পুথি :

(a) নীল ধতুৰাৰ ফুল (b) কিছুমান পদ্য আৰু গান

(c) নিৰ্জন নাবিক (d) ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য

(1) (b) আৰু (d) (2) (b) আৰু (c)

(3) (a) আৰু (d) (4) (a) আৰু (c)

**29.** দুখন আত্মজীৱনী :

(a) ইলা ভনিটিলৈ মুকলি চিঠি (b) ধূলিৰ ধেমালি

(c) নীলাখামৰ চিঠি (d) বিলাতৰ চিঠি

(1) (b) আৰু (d) (2) (b) আৰু (c)

(3) (a) আৰু (b) (4) (a) আৰু (d)

**30.** অসমীয়া তদ্ধিত প্ৰত্যয়ৰ যোগত সাধিত দুটা শব্দ :

(a) লাগতিয়াল (b) নামতী

(c) ৰাঙলী (d) খাৱন

(1) (b) আৰু (c) (2) (b) আৰু (d)

(3) (a) আৰু (c) (4) (c) আৰু (d)



www.examrace.com

**31 ৰ পৰা 45 লৈ থকা প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত থকা বিষয়সমূহ মিলাই (1), (2), (3), (4) -এই চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰ পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰাঁ।**

**31.**

| | 'ক'-স্তম্ভ | | 'খ'-স্তম্ভ |
|---|---|---|---|
| (a) | কাৰ্বি | (i) | দ্ৰাবিড় |
| (b) | খামতি | (ii) | অষ্ট্ৰিক্ |
| (c) | তামিল | (iii) | তিব্বত বৰ্মীয় |
| (d) | খাচী | (iv) | শ্যাম-চীনীয় |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (ii) | (i) | (iii) | (iv) |
| (2) | (iii) | (iv) | (i) | (ii) |
| (3) | (i) | (ii) | (iii) | (iv) |
| (4) | (iii) | (iv) | (ii) | (i) |

**32.**

| | 'ক'-স্তম্ভ | | 'খ'-স্তম্ভ |
|---|---|---|---|
| (a) | ফাৰ্ডিনাণ্ড দ্য চ্যচ্যুৰ | (i) | Of Gramatology |
| (b) | জাক ডেৰিডা | (ii) | Course in General Linguistic |
| (c) | ৰ'লা বাৰ্থ | (iii) | Structural Anthropology |
| (d) | ক্লড লেভিষ্ট্ৰাউচ | (iv) | Elements of Semiology |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (ii) | (iv) | (i) | (iii) |
| (2) | (ii) | (i) | (iv) | (iii) |
| (3) | (i) | (iv) | (iii) | (ii) |
| (4) | (i) | (ii) | (iii) | (iv) |



www.examrace.com

33. 'ক'-স্তম্ভ | 'খ'-স্তম্ভ

(a) গোলোকচন্দ্ৰ গোস্বামী — (i) অসমীয়া ব্যাকৰণ জ্যোতি
(b) সত্যেন্দ্ৰনাৰায়ন গোস্বামী — (ii) অসমীয়া ব্যাকৰণৰ ৰূপৰেখা
(c) বাপচন্দ্ৰ মহন্ত — (iii) অসমীয়া ব্যাকৰণ প্ৰবেশ
(d) ভগৱান মৰল — (iv) সৰল ব্যাকৰণ

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (iv) | (ii) | (i) |
| (2) | (ii) | (i) | (iv) | (iii) |
| (3) | (iii) | (ii) | (i) | (iv) |
| (4) | (ii) | (iv) | (i) | (iii) |

34. 'ক'-স্তম্ভ | 'খ'-স্তম্ভ

(a) সোনোৱাল কাছাৰী — (i) হুদুম দেও পূজা
(b) কাৰ্বি — (ii) ছগ্ৰামিছাৰা
(c) কোচ ৰাজবংশী — (iii) হাইদাং
(d) তিৱা — (iv) ৰংকেৰ

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (ii) | (i) | (iv) |
| (2) | (ii) | (i) | (iv) | (iii) |
| (3) | (iii) | (iv) | (i) | (ii) |
| (4) | (ii) | (iv) | (iii) | (i) |

35. 'ক'-স্তম্ভ | 'খ'-স্তম্ভ

(a) কুৰি শতিকাৰ অসমীয়া কবিতা — (i) মহেশ্বৰ নেওগ
(b) নতুন কবিতা — (ii) নীলমণি ফুকন
(c) সঞ্চয়ন — (iii) যজ্ঞেশ্বৰ শৰ্মা
(d) শতপত্ৰ — (iv) মহেন্দ্ৰ বৰা

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (ii) | (iv) | (i) | (iii) |
| (2) | (ii) | (iii) | (iv) | (i) |
| (3) | (i) | (ii) | (iv) | (iii) |
| (4) | (ii) | (i) | (iii) | (iv) |


www.examrace.com

36. ‘ক’-স্তম্ভ ‘খ’-স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | পুৰণি অসম বুৰঞ্জী | (i) | নকুল চন্দ্ৰ ভূঞা |
| (b) | সাতসৰী অসম বুৰঞ্জী | (ii) | বেনুধৰ শৰ্মা |
| (c) | আউনীআটি সত্ৰৰ বুৰঞ্জী | (iii) | সূৰ্যকুমাৰ ভূঞা |
| (d) | বাৰভূঞাৰ বুৰঞ্জী | (iv) | হেমচন্দ্ৰ গোস্বামী |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iv) | (ii) | (iii) | (i) |
| (2) | (iv) | (iii) | (ii) | (i) |
| (3) | (ii) | (i) | (iii) | (iv) |
| (4) | (ii) | (iv) | (i) | (iii) |

37. ‘ক’-স্তম্ভ ‘খ’-স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | নক্তে | (i) | বাইখো |
| (b) | ৰাভা | (ii) | পয়চাংকেন |
| (c) | নগা | (iii) | লকু |
| (d) | টাই-ফাকে | (iv) | চুংৰেম |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (ii) | (i) | (iv) |
| (2) | (i) | (ii) | (iv) | (iii) |
| (3) | (iii) | (i) | (iv) | (ii) |
| (4) | (i) | (ii) | (iii) | (iv) |

38. ‘ক’-স্তম্ভ ‘খ’-স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | গালে | (i) | কাৰ্বি |
| (b) | এগে | (ii) | খাচী |
| (c) | পিনি | (iii) | আদি |
| (d) | জেইনচেম | (iv) | মিচিং |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (i) | (iv) | (ii) |
| (2) | (i) | (ii) | (iv) | (iii) |
| (3) | (ii) | (i) | (iii) | (iv) |
| (4) | (iii) | (iv) | (i) | (ii) |



www.examrace.com

39. 'ক'-স্তম্ভ 'খ'-স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | বড়ো | (i) | নংক্ৰেম |
| (b) | খাচী | (ii) | গুমৰাগ |
| (c) | মিচিং | (iii) | বহুৱা |
| (d) | সোনোৱাল কছাৰী | (iv) | বৰদৈ চিখ্‌লা |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iv) | (i) | (ii) | (iii) |
| (2) | (ii) | (iv) | (i) | (iii) |
| (3) | (iv) | (iii) | (i) | (ii) |
| (4) | (ii) | (i) | (iv) | (iii) |

40. 'ক'-স্তম্ভ 'খ'-স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | সাৰদা বৰদলৈ | (i) | জুয়ে পোৰা সোণ্ |
| (b) | ফণী তালুকদাৰ | (ii) | বা-মাৰলী |
| (c) | দুৰ্গেশ্বৰ বৰঠাকুৰ | (iii) | বক্ষ কুমাৰ |
| (d) | লক্ষ্যধৰ চৌধুৰী | (iv) | পহিলা তাৰিখ |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (ii) | (i) | (iv) | (iii) |
| (2) | (iv) | (ii) | (i) | (iii) |
| (3) | (iv) | (i) | (ii) | (iii) |
| (4) | (iii) | (iv) | (i) | (ii) |



www.examrace.com

41. ‘ক’-স্তম্ভ ‘খ’-স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | ৰূপালীম | (i) | বপুৰা |
| (b) | কাৰেঙৰ লিগিৰী | (ii) | জুনাফা |
| (c) | শোণিত কুঁৱৰী | (iii) | চিত্ৰলেখা |
| (d) | নিমাতী কইনা | (iv) | ৰূপকোঁৱৰ |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (ii) | (i) | (iv) | (iii) |
| (2) | (i) | (iv) | (iii) | (ii) |
| (3) | (ii) | (i) | (iii) | (iv) |
| (4) | (i) | (ii) | (iii) | (iv) |

42. ‘ক’-স্তম্ভ ‘খ’-স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | হেম বৰুৱা | (i) | কাবেৰীৰ পাৰে পাৰে |
| (b) | আব্দুল মালিক | (ii) | চুইজাৰলেণ্ড ভ্ৰমণ |
| (c) | হেমন্ত কুমাৰ শৰ্মা | (iii) | ৰঙাকৰবীৰ ফুল |
| (d) | বিৰিঞ্চি কুমাৰ বৰুৱা | (iv) | মাজত মাথোন হিমালয় |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iii) | (i) | (iv) | (ii) |
| (2) | (ii) | (iii) | (i) | (iv) |
| (3) | (iii) | (iv) | (i) | (ii) |
| (4) | (i) | (ii) | (iv) | (iii) |

43. ‘ক’-স্তম্ভ ‘খ’-স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | সময় বালিৰ খোজ | (i) | নীলমণি ফুকন |
| (b) | সোনালী জাহাজ | (ii) | কৰবী ডেকা হাজৰিকা |
| (c) | নিৰ্জনতাৰ শব্দ | (iii) | হৰি বৰকাকতি |
| (d) | মাটিৰ পৰা মেঘলৈ | (iv) | ভবেন বৰুৱা |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iii) | (iv) | (i) | (ii) |
| (2) | (ii) | (i) | (iii) | (iv) |
| (3) | (iii) | (ii) | (i) | (iv) |
| (4) | (ii) | (iv) | (i) | (iii) |



www.examrace.com

44. **'ক'-স্তম্ভ** **'খ'-স্তম্ভ**

(a) প্ৰফুল্ল দত্ত গোস্বামী (i) কবৰ আৰু ফুল

(b) আব্দুল মালিক (ii) জোনাকীৰ জুই

(c) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য (iii) কেচাঁ পাতৰ কঁপনি

(d) যোগেশ দাস (iv) ৰজনীগন্দাৰ চকুলো

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (iv) | (i) | (ii) |
| (2) | (ii) | (i) | (iv) | (iii) |
| (3) | (iii) | (i) | (ii) | (iv) |
| (4) | (ii) | (iii) | (iv) | (i) |

45. **'ক'-স্তম্ভ** **'খ'-স্তম্ভ**

(a) দেহ বিচাৰ গীত্ (i) হাতী খোজ কাঢ়ে লুপুৰে থুপুৰে
ঘোঁৰা খোজ কাঢ়ে লৰি এ।

(b) নিচুকণি গীত্ (ii) নাচে কুলা বুঢ়ী নাচে এ
পানীৰ ছেৰে ছেৰে নাচে এ।

(c) বাৰমাহী গীত্ (iii) বাৰীৰ কোণতে জাতি বাঁহ জুপি
সিয়েহে সোদৰ ভাই।
জীয়াই থাকোঁতে কৰোঁ খুটা কামি
মৰিলে লগতে যায়।।

(d) লখিমী আদৰা গীত্ (iv) আহৰেৰ মাহতে কইনা আহৰুৱা ৰাতি।
তোমাৰ সাউদ কাটা গৈছে
কাঞ্চনপুৰৰ ভাঠি।।

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (i) | (iv) | (ii) |
| (2) | (i) | (ii) | (iv) | (iii) |
| (3) | (iii) | (ii) | (i) | (iv) |
| (4) | (ii) | (i) | (iii) | (iv) |



www.examrace.com

**তলৰ 46 ৰ পৰা 60 লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা নিৰ্দেশনাৰ আধাৰত সজাই (1), (2), (3), (4) গোটৰ পৰা শুদ্ধ ক্ৰমটো নিৰ্ণয় কৰাঁ :**

**46.** প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱাঁ :

(a) A Grammar of Assamese Language.

(b) A few Remarks on the Assamese Language and on Vernacular Education in Assam.

(c) Report on the Province of Assam.

(d) Grammatical Notices of the Assamese Language

(1) (a) (b) (c) (d)

(2) (d) (a) (c) (b)

(3) (b) (c) (a) (d)

(4) (a) (d) (c) (b)

**47.** নিম্নলিখিত বিজ্ঞান-সাহিত্যৰ লেখককেইগৰাকীৰ নামকেইটি জ্যেষ্ঠতাৰ ক্ৰম অনুসৰি সজোৱাঁ:

(a) সুৰেন্দ্ৰনাথ মেধি

(b) ৰাধানাথ ফুকন

(c) ভুবনমোহন দাস

(d) দীনেশ গোস্বামী

(1) (b) (c) (a) (d)

(2) (c) (a) (b) (d)

(3) (d) (a) (b) (c)

(4) (b) (a) (d) (c)

**48.** নৰকান্ত বৰুৱাৰ নিম্নলিখিত কাব্যগ্ৰন্থকেইখন প্ৰথম প্ৰকাশৰ চন অনুসৰি সজোৱাঁ :

(a) মোৰ আৰু পৃথিৱীৰ

(b) হে অৰণ্য হে মহানগৰ

(c) এটি দুটি এঘাৰটি তৰা

(d) যতি আৰু কেইটিমান স্কেচ্ছ্

(1) (d) (a) (c) (b)

(2) (b) (a) (c) (d)

(3) (b) (c) (d) (a)

(4) (c) (a) (b) (d)



www.examrace.com

49. নিম্নলিখিত শিশু-সাহিত্যিককেইগৰাকীৰ নামকেইটি জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ :

(a) অতুলচন্দ্ৰ হাজৰিকা

(b) মিত্ৰদেৱ মহন্ত

(c) গগন চন্দ্ৰ অধিকাৰী

(d) নৰকান্ত বৰুৱা

(1) (b) (a) (d) (c)

(2) (c) (b) (a) (d)

(3) (a) (c) (b) (d)

(4) (a) (c) (d) (b)

50. মামণি ৰয়ছম গোস্বামীৰ নিম্নলিখিত উপন্যাসকেইখন প্ৰথম প্ৰকাশৰ চন অনুসৰি সজোৱাঁ :

(a) মামৰে ধৰা তৰোৱাল

(b) দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা

(c) চীনাবৰ সোঁত

(d) নীলকন্ঠী ব্ৰজ

(1) (a) (b) (c) (d)

(2) (c) (d) (a) (b)

(3) (d) (c) (b) (a)

(4) (b) (a) (d) (c)

51. জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ :

(a) অনিমা দত্ত

(b) নিৰ্মলপ্ৰভা বৰদলৈ

(c) নলিনীবালা দেৱী

(d) পদ্মাৱতী ফুকননী

(1) (a) (c) (b) (d)

(2) (a) (b) (c) (d)

(3) (d) (c) (b) (a)

(4) (d) (b) (c) (a)



www.examrace.com

**52.** নিম্নলিখিত দৈনিক বাতৰিকেইখনৰ নামকেইটা প্ৰথম প্ৰকাশৰ চন অনুসৰি সজোৱাঁ :

(a) নতুন দৈনিক

(b) দৈনিক জনমভূমি

(c) দৈনিক বাতৰি

(d) দৈনিক অসম

(1) (a) (c) (b) (d)

(2) (c) (d) (b) (a)

(3) (b) (d) (a) (c)

(4) (c) (b) (d) (a)

**53.** প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱাঁ :

(a) ব্যৱহাৰিক অসমীয়া অভিধান

(b) চন্দ্ৰকান্ত অভিধান

(c) আধুনিক অসমীয়া শব্দকোষ

(d) শৰাইঘাট অভিধান

(1) (a) (b) (c) (d)

(2) (c) (b) (a) (d)

(3) (b) (a) (c) (d)

(4) (b) (c) (d) (a)

**54.** সময় অনুসৰী সজোৱাঁ :

(a) কুটিল লিপি

(b) ব্ৰাহ্মী লিপি

(c) গুপ্ত লিপি

(d) কুশান লিপি

(1) (d) (a) (c) (b)

(2) (a) (c) (b) (d)

(3) (b) (d) (c) (a)

(4) (d) (b) (c) (a)



www.examrace.com

55. অতুলচন্দ্ৰ হাজৰিকাৰ নিম্নলিখিত নাটকেইখন প্ৰকাশৰ ক্ৰম অনুসৰি সজোৱাঁ :

(a) টিকেন্দ্ৰজিৎ

(b) নৰকাসুৰ

(c) ছত্ৰপতি শিৱাজী

(d) কনৌজ কুঁৱৰী

(1) (b) (d) (c) (a)

(2) (a) (b) (d) (c)

(3) (c) (b) (a) (d)

(4) (b) (a) (d) (c)

56. জোনাকী যুগৰ নিম্নলিখিত লেখককেইগৰাকীৰ নামসমূহ জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ :

(a) চন্দ্ৰকুমাৰ আগৰৱাল

(b) লক্ষ্মীনাথ বেজবৰুৱা

(c) পদ্মনাথ গোহাঞি বৰুৱা

(d) হেমচন্দ্ৰ গোস্বামী

(1) (b) (a) (c) (d)

(2) (c) (a) (b) (d)

(3) (c) (d) (b) (a)

(4) (d) (c) (b) (a)

57. তলৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীকেইখন প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱাঁ :

(a) অসমীয়া সাহিত্যৰ ৰূপৰেখা

(b) অসমীয়া সাহিত্যত দৃষ্টিপাত

(c) অসমীয়া সাহিত্যৰ ইতিবৃত্ত

(d) অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী

(1) (a) (b) (c) (d)

(2) (d) (c) (b) (a)

(3) (a) (b) (d) (c)

(4) (c) (a) (b) (d)



www.examrace.com

58. তলৰ ভাষাবিদকেইগৰাকীৰ নামকেইটা জ্যেষ্ঠতাৰ আধাৰত ক্ৰম অনুসৰি সজোৱাঁ :

(a) সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী

(b) প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য

(c) দেবানন্দ ভৰালী

(d) ৰমেশ পাঠক

(1) (c) (b) (a) (d)

(2) (c) (a) (d) (b)

(3) (a) (c) (b) (d)

(4) (b) (c) (a) (d)

59. তলৰ ব্যক্তিকেইগৰাকীৰ নামসমূহ জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ :

(a) হেমচন্দ্ৰ বৰুৱা

(b) গুনাভিৰাম বৰুৱা

(c) যাদুৰাম ডেকাবৰুৱা

(d) হৰিবিলাস আগৰৱালা

(1) (a) (b) (c) (d)

(2) (c) (a) (b) (d)

(3) (b) (c) (d) (a)

(4) (a) (c) (b) (d)

60. তলৰ ভাষাকেইটা বিকাশৰ ক্ৰম অনুসৰি সজোৱাঁ :

(a) শৌৰসেনী

(b) অশোকৰ অনুশাসনৰ ভাষা

(c) চৰ্যাপদৰ ভাষা

(d) বৈদিক সংস্কৃত

(1) (d) (b) (a) (c)

(2) (d) (c) (a) (b)

(3) (d) (a) (c) (b)

(4) (b) (d) (a) (c)



www.examrace.com

**তলৰ 61 ৰ পৰা 65 লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি (1), (2), (3), (4) চাৰিটা বিকল্প দিয়া হৈছে। তাৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :**

**61.** ''ল'ৰাটোৱে যথেষ্ট সুবিধা পাইছিল; কিন্তু সি কৃতকাৰ্য হ'ব নোৱাৰিলে।''

-এই মিশ্ৰ বাক্যটি সৰল বাক্যলৈ ৰূপান্তৰ কৰিলে এনে হ'ব :

(1) ল'ৰাটোৱে যথেষ্ট সুবিধা পাইছিল যদিও কৃতকাৰ্য হ'ব নোৱাৰিলে।

(2) ল'ৰাটোৱে যথেষ্ট সুবিধা পায়ো কৃতকাৰ্য হ'ব নোৱাৰিলে।

(3) ল'ৰাটোৱে যথেষ্ট সুবিধা পাইছিল,কিন্তু সি কৃতকাৰ্য হ'ব নোৱাৰিলে।

(4) ল'ৰাটোৱে যথেষ্ট সুবিধা পাইছিল বাবে সি কৃতকাৰ্য হ'ব নোৱাৰিলে।

**62.** ''তুলনামূলক সাহিত্যৰ ক্ষেত্ৰ জাতীয় সাহিত্যৰ গণ্ডীৰ বাহিৰত।'' কাৰণ :

(1) তুলনামূলক সাহিত্যই বিভিন্ন জাতীয় সাহিত্যক সামৰি নলয়।

(2) তুলনামূলক সাহিত্যৰ আলোচনা প্ৰসঙ্গত বিশ্বসাহিত্যৰ কথা প্ৰাসঙ্গিকভাৱেই অৱতাৰনা কৰা হয়।

(3) তুলনামূলক আৰু জাতীয় সাহিত্য পৰস্পৰে সম্পৃক্ত।

(4) তুলনামূলক সাহিত্যই একাধিক জাতীয় সাহিত্যৰ পাৰস্পৰিক সম্বন্ধ বিচাৰ নকৰে।

**63.** 'অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক সৰ্গবোৰ বিভক্তিমূলক সৰ্গহে।' কাৰণ :

(1) নিৰ্দিষ্টতাবাচক সৰ্গবোৰ বিশেষ্য আৰু বিশেষণ শব্দৰ পাছত যোগ কৰা হয়।

(2) নিৰ্দিষ্টতাবাচক সৰ্গবোৰৰ সংযোগে শব্দৰ শ্ৰেণী পৰিবৰ্তন ঘটায়।

(3) নিৰ্দিষ্টতাবাচক সৰ্গবোৰৰ সংযোগে নতুন শব্দ সাধন কৰে।

(4) নিৰ্দিষ্টতাবাচক সৰ্গবোৰৰ সংযোগত নতুন শ্ৰেণীৰ শব্দ সাধন নহয়।



www.examrace.com

64. 'শত বৰষৰ ধূলিত হেৰোৱা

জীৱন-কুসুমে মেলিব পাহি।'

উক্ত স্তৱকটি ৰূপক অলংকাৰৰ উদাহৰণ। কাৰণ-

(1) জীৱনৰ কুসুম পাহি ফুলনিত ফুলি আছে।

(2) জীৱনৰ সৈতে কুসুমক তুলনা কৰা হৈছে।

(3) জীৱন আৰু কুসুমৰ সাদৃশ্য আছে।

(4) জীৱনৰ ওপৰত কুসুমক আৰোপ কৰা হৈছে।

65. ''জয় জয় গৰুড়ানন বনমালী।

জয় জয় মৰ্দ্দন বিষধৰ কালী।।''

-এই স্তৱকটি হ্ৰস্ব পয়াৰৰ উদাহৰণ। কাৰণ-

(1) স্তৱকটিত প্ৰতি চৰণতে ফোল্লতকৈ কম মাত্ৰা আছে।

(2) স্তৱকটিৰ ভাৱ দুটি চৰণত সম্পূৰ্ণ হোৱা নাই।

(3) স্তৱকটিৰ দুই চৰণত মুঠ 13 + 13 মাত্ৰা আছে আৰু এটাও পৰ্বই 8 মাত্ৰাৰ সীমা অতিক্ৰম কৰা নাই।

(4) স্তৱকটিত সমমাত্ৰাৰ দুটা চৰণ আছে আৰু এটাও পৰ্বেই 7 মাত্ৰাৰ সীমা অতিক্ৰম কৰা নাই।

**তলৰ 66 ৰ পৰা 70 লৈ দিয়া প্ৰতিটো উক্তি (Assertion) আৰু যুক্তি (Reason) হিচাপে উল্লেখ কৰা বিবৃতি দুটৰে বিষয়ে যুগুতোৱা (1), (2), (3), (4) -ৰ পৰা শুদ্ধ উত্তৰটো নিৰ্ণয় কৰাঁ।**

66. **উক্তি :** চৰিত পুথিসমূহ বুৰঞ্জীৰ পৰিপূৰক নহয়।

**যুক্তি :** বুৰঞ্জীত প্ৰধানকৈ ৰাজনৈতিক ঘটনাৱলী আৰু ৰজাঘৰৰ কথাবোৰৰ বৰ্ণনা আছে; কিন্তু, চৰিত পুথিৰ দৰে জনসাধাৰণৰ দৈনন্দিন, সাংস্কৃতিক আৰু সামাজিক জীৱনৰ প্ৰতিফলন ঘটা নাই।

(1) উক্তি শুদ্ধ; যুক্তি শুদ্ধ
(2) উক্তি অশুদ্ধ; যুক্তি অশুদ্ধ
(3) উক্তি অশুদ্ধ; যুক্তি শুদ্ধ
(4) উক্তি শুদ্ধ ; যুক্তি অশুদ্ধ



www.examrace.com

67. **উক্তি :** দূৰ অতীতলৈ শ্ৰদ্ধা-বিস্ময় দৃষ্টিৰে অৱলোকন কৰাটো উপন্যাসবাদী কবিতা আৰু সাহিত্যৰ অন্যতম লক্ষন।

**যুক্তি :** উপন্যাসবাদী সাহিত্যত বুৰঞ্জীৰ কিছুমান ঘটনাৰ চিত্ৰণ আৰু গৌৰৱময় ইতিহাসৰ প্ৰকাশ ঘটে।

(1) উক্তি শুদ্ধ; যুক্তি অশুদ্ধ
(2) উক্তি অশুদ্ধ; যুক্তি শুদ্ধ
(3) উক্তি অশুদ্ধ; যুক্তি অশুদ্ধ
(4) উক্তি শুদ্ধ ; যুক্তি শুদ্ধ

68. **উক্তি :** অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত নহয়।

**যুক্তি :** অসমীয়া ভাষাত লিঙ্গই বাক্যৰ গাঁথনিত প্ৰভাৱ বিস্তাৰ নকৰে।

(1) উক্তি অশুদ্ধ; যুক্তি অশুদ্ধ
(2) উক্তি শুদ্ধ; যুক্তি শুদ্ধ
(3) উক্তি অশুদ্ধ ; যুক্তি শুদ্ধ
(4) উক্তি শুদ্ধ ; যুক্তি অশুদ্ধ

69. **উক্তি :** উপন্যাসৰ কাহিনী যেনেকৈ মূলতঃ গল্পৰ গাঁথনি, চৰিত্ৰ তেনেকৈ গল্পৰ আঁচুসূতা।

**যুক্তি :** উপন্যাসৰ কাহিনী গল্পৰ কাহিনীৰ দৰে বিন্যাস কৰা হয় আৰু চৰিত্ৰও গল্পৰ দৰে আঁচুফুল সদৃশ।

(1) উক্তি শুদ্ধ; যুক্তি শুদ্ধ
(2) উক্তি অশুদ্ধ; যুক্তি অশুদ্ধ
(3) উক্তি শুদ্ধ ; যুক্তি অশুদ্ধ
(4) উক্তি অশুদ্ধ; যুক্তি শুদ্ধ

70. **উক্তি :** বধকাব্যসমূহ ৰামায়ণ আৰু মহাভাৰতৰ চৰিত্ৰক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছে।

**যুক্তি :** বধকাব্যসমূহত পাণ্ডৱসকলে বনত থাকোঁতে দৈত্য দানৱ আদিৰ দ্বাৰা নানা প্ৰত্যাহ্বানৰ সম্মুখীন হোৱাৰ কাহিনী বৰ্ণিত হৈছে।

(1) উক্তি শুদ্ধ; যুক্তি শুদ্ধ
(2) উক্তি অশুদ্ধ; যুক্তি শুদ্ধ
(3) উক্তি শুদ্ধ; যুক্তি অশুদ্ধ
(4) উক্তি অশুদ্ধ; যুক্তি অশুদ্ধ



www.examrace.com

**তলত দিয়া কথাখিনি ভালদৰে পঢ়ি 71 ৰ পৰা 75 লৈকে সংলগ্ন প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ (1), (2), (3), আৰু (4) বিকল্পৰ মাজৰ পৰা বাছি উলিওৱা :**

কৰ্তব্য পালন নিৰানন্দনাশী মহামন্ত্ৰ। এই মন্ত্ৰেৰে পশু-পক্ষী আদি সংসাৰৰ প্ৰাণীবোৰে নিৰানন্দ বিনাশ কৰে। এই মন্ত্ৰ লাভ কৰিবলৈ অভিলাষ কৰিলে মহাগুৰু কৰ্তব্যত শৰণ ল'ব লাগে। এওঁৰ পৰা যি মন্ত্ৰ লাভ কৰা যায়, তাৰ প্ৰয়োগত আনন্দৰ প্ৰবল বৈৰীবিলাক সেও হয়, আৰু বিপদ-সংকট সকলো জঁই পৰে। এই মন্ত্ৰৰ গুনত মানুহে পোতাশালতো হাঁহিৰ অমিয়া ভুঞ্জিবলৈ পায় আৰু মৰণৰ জীয়াতুৰে হেতালি খেলিবলৈ সক্ষম হয়। কৰ্তব্য পালন ডাৱৰনাশী দৰ্জয় অস্ত্ৰ, ই ডাৱৰ খণ্ড খণ্ড কৰি তাত আনন্দৰ জেউতী ঢালে। কৰ্তব্য পালন বিশ্বব্ৰহ্মাণ্ডৰ মেৰুদণ্ড, ইয়াক আশ্ৰয় কৰি এই বিৰাট বিশ্ব অনন্তকাল চলিব লাগিছে, এখ পালক ইয়াৰ অভাৱ ঘটিলে তৎক্ষণাত বিশ্বত প্ৰলয় মিলিব। বিশ্ব এটা প্ৰকাণ্ড যন্ত্ৰ বিশেষ আৰু তাৰ বস্তুবিলাক সেই যন্ত্ৰৰ একোট অঙ্গ। প্ৰত্যেক অঙ্গই নিজ নিজ কৰ্ম কৰি থাকে মানে বিশ্ব সুকলমে চলি থাকিব, কিন্তু এটা অঙ্গই তাৰ ভাগত ত্ৰুটি কৰিলে সেই মুহূৰ্ততে লয় হ'ব। বিশ্বৰ গৰাকীয়ে আদিতে বিশ্বৰ প্ৰত্যেক বস্তুকে একোটা বিশেষ বিশেষ কৰ্মত নিয়োজিত কৰিছে। যি অঙ্গ যি কৰ্মত নিয়োজিত হৈছে, সেয়েই সেই অঙ্গৰ কৰ্তব্য কৰ্ম। চন্দ্ৰ, সূৰ্য, গ্ৰহ, নক্ষত্ৰ, মেঘ, বায়ু, জল, অগ্নি আদি সকলোবোৰ বিশ্বযন্ত্ৰৰ অঙ্গ। সিহঁতৰ প্ৰত্যেকৰেই একোটা বিশেষ কৰ্ম আছে, আৰু সেই কৰ্ম সিহঁতে অকপটে কৰিব লাগিছে। সিহঁতৰ যুটীয়া কৰ্মৰ গুণতহে বিশ্ব তিষ্ঠিবলৈ সক্ষম হৈছে। সিহঁতে যদি এক মুহূৰ্তলৈ কৰ্তব্য অৱহেলা কৰে, তেনেহ'লে এই বিনন্দীয়া বিশ্ব একেতিলে ছাঁ-বাজীৰ ছাঁৰ নিচিনা অন্তৰ্ধান হ'ব। তেতিয়া এই গভীৰ সাগৰ, শুৱনী নদী আৰু ৰূপহী কানন নাথাকিব। তেতিয়া কবিৰ কল্পনা উদগাবলৈ বননিত মনোৰম ফুল নাথাকিব। বৈজ্ঞানিকৰ গৱেষণা জগাবলৈ বিতোপন বিজুলী নাথাকিব। বৈজ্ঞানিকৰ নাম নুমাব, কবিৰ বংশ ধ্বংস হ'ব। মনুষ্য, পশু-পক্ষী, কীট-পতঙ্গ আদি প্ৰাণীবোৰৰ লীলা শেষ হ'ব। চন্দ্ৰ-সূৰ্যই কৰ্তব্য লংঘন কৰিলে যে বিশ্ব নষ্ট হ'ব, এনে নহয়। সিহঁত নিজেও লয় হ'ব। কৰ্তব্য পালন সিহঁতৰ প্ৰাণবায়ু, তাৰ অভাৱ হ'লে সিহঁতে প্ৰাণ ধৰিব নোৱাৰে। কৰ্তব্য পালন কৰি বিশ্বৰ বস্তুবোৰে নিজৰ শৰীৰ আৰু বিশ্ব উভয়কে ৰক্ষা কৰিছে।

সমস্ত বিশ্ব সম্বন্ধে যি ৰূপ ব্যৱস্থা, প্ৰাণীজগত সম্বন্ধেও সেই ৰূপ ব্যৱস্থা। প্ৰাণীজগততো কৰ্তব্য পালনেই জগত স্থিতিৰ গূঢ়তম হেতু। জগততো প্ৰত্যেক প্ৰাণীৰ জীৱনৰ নিৰ্দিষ্ট কৰ্ম আছে। যেতিয়ালৈকে সিহঁতে নিজ নিজ কৰ্ম কৰি থাকে, তেতিয়ালৈকে জগত সুকলমে চলি থাকিব আৰু সিহঁতো কুশলে থাকিব। বিশ্ব যেনে চন্দ্ৰ আদি গ্ৰহ-উপগ্ৰহৰ কৰ্তব্য পালনৰ গুণত তিষ্ঠিছে, জগতো তেনে প্ৰানীসমূহৰ কৰ্তব্য পালনৰ গুণত তিষ্ঠিতে আৰু গ্ৰহ-উপগ্ৰহ সকলক যেনেকৈ কৰ্তব্য পালন কৰি বিশ্বত কুশলে আছে প্ৰাণীসমুহেও সেইদৰে নিজ নিজ কৰ্তব্য পালন কৰি বিশ্বত কুশলে আছে। পশু-পক্ষী, কীট-পতঙ্গ আদি প্ৰাণীবোৰে সততে নিজ নিজ কৰ্তব্য কৰ্ম সম্পাদন কৰি জগত সুখময় কৰিছে, আৰু নৃত্য কৰি পৰমানন্দে আয়ুস ভোগ কৰিছে।

মনুষ্য সমাজো এটা বৃহৎ যন্ত্ৰৰ নিচিনা আৰু প্ৰত্যেক মনুষ্য সেই যন্ত্ৰৰ একোটা অঙ্গবিশেষ। যিমান দিন এই অঙ্গবিলাকে নিজৰ কৰ্তব্য কৰ্ম কৰি থাকে, সিমান দিন সমাজ সুকলমে চলি থাকে, যেতিয়া কোনো এটা অঙ্গই তাৰ কৰ্তব্য কৰ্মৰ ত্ৰুটি কৰে, তেতিয়া সমাজত বিভ্ৰাট উপস্থিত হয়, অৰ্থাৎ সমাজশৃংখলাত আউল লাগে। মনুষ্যৰ কৰ্তব্য, সৎ হোৱা, জ্ঞান-বুদ্ধি উপাৰ্জন কৰি নিজৰ উন্নতি আৰু আনৰ উপকাৰ কৰা, পিতৃ-মাতৃ আৰু পুত্ৰ-কন্যা আদি নিজৰ পৰিয়ালক পালন কৰা, ওচৰ-চুবুৰিয়া, বন্ধু-বান্ধৱক সহায় কৰা আৰু হিংসা-কপট পৰিত্যাগ কৰি সকলোৰে সৈতে মিলে থকা। এইবোৰ কৰ্তব্যৰ ত্ৰুটি কৰিলেই সমাজত শৃংখলাৰ অভাৱ হয়। দৰিদ্ৰতা, দ্বন্দ্ব, অশান্তি, ভয় আদি অনৰ্থবোৰ কেৱল কৰ্তব্য কৰ্মৰ ত্ৰুটিৰ ফল। এজনৰ কৰ্তব্যৰ ত্ৰুটিৰ পৰা যে কেৱল আনৰহে অপকাৰ হয় এনে নহয়, যি ত্ৰুটি কৰে



www.examrace.com

তাৰো আত্মাত আঁৰ লাগে। সি সংসাৰ বিহ যেন দেখে আৰু অৱশেষত নিৰানন্দৰ ডাৱৰে তাক আৱৰি ধৰে। যাৰ স্বভাৱ সৎ, যি নিজৰ কৰ্তব্য কৰ্মৰত ত্ৰুটি নকৰে, যাৰ হৃদয়ত হিংসা, কপট, অহঙ্কাৰ আদি কাঁইটীয়া লতাই শিপাব পৰা নাই, যি এলাহ্ পৰিহাৰ্ কৰি কায়িক শ্ৰমেৰে নিজৰ উন্নতি আৰু আনৰ উপকাৰ সাধিব পাৰিছে, তাৰ মনত ওপৰত ডাৱৰ থিতি নহয়, তাৰ মন সন্তোষৰ সঁফুৰা, মুখ জেউতীৰ দাপোন, কথা উৎসাহৰ গভীৰ উদগণি। সংসাৰ এখন প্ৰকাণ্ড যুদ্ধক্ষেত্ৰ, আৰু কৰ্তব্য পালন এখন প্ৰধান অস্ত্ৰ। এই অস্ত্ৰেৰে মানুহে যুদ্ধত জয়ী হৈ মহানন্দে নৃত্য কৰি জীৱন নিয়ায়। যিজনে কৰ্তব্যৰ ত্ৰুটি কৰি সেই মহা অস্ত্ৰৰপৰা বঞ্চিত হয়, সি যুদ্ধত হাৰে আৰু আনন্দৰ সলনি বেজাৰ তাৰ জীৱনৰ সাৰ হয়। তাৰ মুখ সততে ওন্দোলা আৰু মন সততে বিমৰিষ।

স্বভাৱত সৎ হোৱা বা বিদ্যা-বুদ্ধি উপাৰ্জন কৰা মনুষ্যৰ যেনে কৰ্তব্য কৰ্ম, পৰিমিত ৰূপে শয়ন ভোজনাদি কৰাও তেনে কৰ্তব্য কৰ্ম, প্ৰথমবিধ কৰ্তব্যৰ ত্ৰুটি কৰিলে যেনে আত্মাত আউল লাগে, শেষৰবিধ কৰ্তব্যৰ ত্ৰুটি কৰিলেও তেনে দেহত আউল লাগে। দৈহিক আউলেই ৰোগ। ৰোগ নিৰানন্দৰ এটা ঘাই হেতু। ভগ্নীদেহীৰ জীৱন কেৱল অসুখৰ সোঁত। মানুহে শয়ন ভোজনাদি কৰ্তব্য কৰ্মত হ্ৰস্ব-দীৰ্ঘ ত্ৰুটি কৰি শৰীৰত ৰোগ জন্মাই লয়। ৰোগ আনন্দৰ পৰম বাধক। জুই-পানীৰ যেনে ৰূপ সম্বন্ধ, ৰোগ আৰু আনন্দৰ সেই ৰূপ সম্বন্ধ। যি দেহত ৰোগৰ বাস, আনন্দ তাৰ পৰা দূৰতো বিদুৰ হয়; কিন্তু কৰ্তব্য পালন মন্ত্ৰেৰে এই পৰম বৈৰীকো মষিমূৰ কৰিব পাৰি। আনন্দ, দেহ আৰু মনৰ লয়ৰ অমৃতফল। শৰীৰৰ অঙ্গবোৰ পৰস্পৰ লনী বা মানী হ'লে যেনেকৈ ৰূপৰ উদ্ভৱ হয়, সেইদৰে শৰীৰ আৰু মন উভয়ে মানী হ'লে আনন্দৰ উদ্ভৱ হয়। শৰীৰ আৰু মনৰ মানী ভাৱ থাকে মানে তাৰ অমৃত ফল দেখা যায় সেই ভাৱ ভঙ্গ হ'লেফলো নাইকিয়া হয়। কৰ্তব্য পালন এই অমিয়া প্ৰসবিনী মানী ভাৱৰ ৰক্ষাকবচ।

**71.** কৰ্তব্য পালন নিৰানন্দনাশী মহামন্ত্ৰ বুলি কোৱা হৈছে কাৰণ :

(1) কৰ্তব্য পালন মানুহৰ ডাৱৰ নাশী দুৰ্জয় অস্ত্ৰ নহলেও ই খণ্ড খণ্ড ডাৱৰৰ মাজত আনন্দৰ জেউতি ঢালে।

(2) কৰ্তব্য পালনৰ পৰা লাভ কৰা প্ৰৱল মন্ত্ৰৰ প্ৰয়োগে আনন্দৰ বৈৰী সকলক সেও কৰায় আৰু বিপদ-আপদ আঁতৰায় ।

(3) কৰ্তব্যৰ প্ৰতিটো অঙ্গ সক্ষম নহলেও ইয়াৰ সুকীয়া কৰ্মৰ গুনেহে প্ৰকৃত নিৰানন্দনাশী মহামন্ত্ৰ।

(4) কেৱল কৰ্তব্য পালন প্ৰক্ৰিয়াইছে বিশ্বব্ৰহ্মান্দখন অনন্তকাল চলাই থাকিব।

**72.** কৰ্তব্য পালন প্ৰানীজগতৰ স্থিতিৰ গুঢ়তম হেতু বুলি কোৱাৰ কাৰণ :

(1) প্ৰত্যেক প্ৰানীয়ে নিৰ্দ্দিষ্ট কৰ্মৰ জৰিয়তে নিজস্ব স্থিতি গ্ৰহন কৰিছে আৰু যেতিয়ালৈকে নিজস্ব কৰ্তব্য পালন কৰি থাকিব তেতিয়ালৈকে সিহঁত কুশলে থাকিব।

(2) প্ৰানীভেদে প্ৰত্যেক প্ৰজাতিয়ে নিজস্ব নিয়ম অনুসৰিয়েছে কৰ্ম সম্পাদন কৰে আৰু সিহঁতে কুশলে থাকে।

(3) সমগ্ৰ বিশ্ব বিভিন্ন গ্ৰহ-উপগ্ৰহৰ জৰিয়তেছে পৰিচালিত হৈছে।

(4) পশু-পক্ষী, কীট -পতঙ্গ আদিয়ে নৃত্য কৰি পৰমানন্দে আয়ুস ভোগ কৰিছে।



www.examrace.com

**73.** সংসাৰ এখন প্ৰকাণ্ড যুদ্ধ ক্ষেত্ৰ আৰু কৰ্তব্য পালন এখন প্ৰধান অস্ত্ৰ বুলি কোৱাৰ কাৰণ :

(1) সংসাৰ এখন যুদ্ধক্ষেত্ৰ আৰু ইয়াক বীৰত্ব প্ৰদৰ্শনেৰে বিজয়ী হোৱা জনেই প্ৰকৃত যোদ্ধা আৰু সেই জনেই যুদ্ধ-জয়ী হয়।

(2) দৰিদ্ৰতা, দ্বন্দ্ব, অশান্তি, ভয় আদি অনৰ্থবোৰে সংসাৰ যুদ্ধ জয়ৰ আহিলা হৈ পৰে।

(3) যি হৃদয় হিংসা, কপট, অহংকাৰৰ পৰা মুক্ত আৰু যিজনে কায়িক শ্ৰমেৰে নিজৰ উন্নতি আৰু আনৰ উপকাৰ সাধিব পাৰে সেইজনেই সংসাৰ যুদ্ধ বিজয়ী হয়।

(4) যিজনে কৰ্তব্যৰ ত্ৰুটি কৰি সেই মহাঅস্ত্ৰৰ দ্বাৰা বঞ্চিত হয় সেই জনেই সংসাৰ যুদ্ধজয়ী হয়।

**74.** কৰ্তব্য পালন এই অমিয়া প্ৰসৱিনী মানীভাবৰ ৰক্ষা কবচ। কাৰণ :

(1) অমিয়া প্ৰসৱিনী মন থাকিলেহে ৰক্ষা কবচ লব পাৰি। ই কৰ্তব্য পালনৰ অধোৰ স্বৰূপ।

(2) শৰীৰৰ অঙ্গবোৰ পৰস্পৰ লনী বা মানী হ'লেহে কৰ্তব্য পালন সম্ভৱ হয়।

(3) শয়ন-ভোজন আদি কৰ্তব্য কৰ্ম হ্ৰস্ব-দীৰ্ঘ ক্ৰটী কৰি শৰীৰত ৰোগ জন্মোৱাসকলৰ মানীভাব ৰক্ষা কবচ।

(4) শৰীৰ আৰু মনৰ মানীভাবে অমৃত ফল দিয়ে আৰু ই কৰ্তব্য পালনৰ আধাৰ আৰু ৰক্ষা কবচ স্বৰূপ।

**75.** খণ্ডটোক তলৰ কোনটো অভিধাৰে চিহ্নিত কৰিবা?

(1) কৰ্তব্য পালন (2) কৰ্মই ধৰ্ম (3) জীৱনৰ অমিয়া (4) জীৱনৰ সুবাস

- o 0 o -



www.examrace.com

**Space For Rough Work**

Exam Race



www.examrace.com